# 2020

## ASSAMESE

( Major )

Paper : 6.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) মাত্ৰাই কিহৰ উচ্চাৰণকালক বুজায় ?

(খ) আটাইতকৈ দীঘল ছন্দসজ্জাটোৰ নাম কি ?

(গ) যুদ্ধ আদিৰ বৰ্ণনাত সাধাৰণতে কি ছন্দ ব্যৱহাৰ কৰা হয় ?

(ঘ) দুলড়ী আৰু ছবি ছন্দৰ ভিতৰত কোনবিধ ছন্দত অক্ষৰ সংখ্যা কম ?

(ঙ) অৰ্থৰ ওপৰত নিৰ্ভৰশীল অলংকাৰক কি অলংকাৰ বোলে ?

(চ) "হিমগিৰি কন্যা পাৰ্বতীয়ে হিমবৰণ শিৱক পতিৰূপে বৰণ কৰিলে ?" ইয়াত কি অলঙ্কাৰ প্ৰয়োগ হৈছে ?

(ছ) 'অলংকাৰশাস্ত্ৰ'ৰ প্ৰৱক্তা কোন ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) যতি কাক বোলে?

(খ) অলংকাৰৰ মূল কি কি?

(গ) সাদৃশ্যগৰ্ভ অলংকাৰৰ যি কোনো দুটা অংগৰ নাম উল্লেখ কৰা।

(ঘ) অনুপ্ৰাস শব্দ কেনেকৈ সাধিত হৈছে?

৩। যি কোনো **তিনিটাৰ** চমু টোকা লিখা : ৫×৩=১৫

চৰণ, অক্ষৰ, যমক, ভ্ৰান্তিমান, লেচাৰি, ঝুনা।

৪। (ক) "অলংকাৰৰ মুখ্য প্ৰয়োজন ৰমণীয়তা সম্পাদন।" এই উক্তিক মুখ্য কৰি কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) দ্বিপদী ছন্দৰীতি বুলিলে কি বুজা? যি কোনো দুটা দ্বিপদী ছন্দৰ উদাহৰণসহ সূত্ৰ লিখা।

৫। (ক) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে এটি টোকা যুগুত কৰা। ১০

*অথবা*

(খ) অলংকাৰৰ প্ৰকাৰভেদ সম্পৰ্কে বহলাই আলোচনা কৰা।

৬। (ক) যতিয়ে কেনেদৰে ছন্দৰ প্ৰকাৰভেদ নিৰ্ধাৰণ কৰে, উদাহৰণসহ বুজাই লিখা। ১০

*অথবা*

(খ) উপমা আৰু ৰূপক অলংকাৰৰ মাজত থকা পাৰ্থক্যবোৰ উদাহৰণসহ দেখুৱাই দিয়া।

★★★